# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-March-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*

————————————————————

## HEADLINES
**::::::::::::::::::::**

১। শিলচৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। বিজেপিৰ যুৱ শক্তি সমাৰোহত অংশগ্ৰহণৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি গুৱাহাটীত উপস্থিত।

৩। কাছাৰৰ শ্ৰীকোণাত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৰাক উপত্যকাৰ বাবে নিৰ্মিত অসম সচিবালয় উদ্বোধন।

৪। ৰাজ্যৰ কেইবাখনো জিলাত আনুষ্ঠানিকভাৱে চাহ শ্ৰমিকসকলক ভূমি পট্টা প্ৰদান।

**আৰু**

৫। মধ্যপ্ৰাচ্যৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত ৰন্ধন গেছৰ সম্ভাব্য নাটনি জোৰা মৰাকে ধৰি বিভিন্ন প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বাবে কেইবাখনো জিলা প্ৰশাসনৰ বৈঠক।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰাক উপত্যকা তথা উত্তৰ-পূব ভাৰতৰ যোগাযোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ব্যৱস্থা হিচাপে প্ৰধানমন্ত্ৰীয়ে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া গুৱাহাটী-শিলচৰ হাইস্পীড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই গুৱাহাটী আৰু শিলচৰৰ মাজৰ যাত্ৰাৰ সময় ৫ ঘণ্টালৈ হ্ৰাস কৰাৰ লগতে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু সামগ্ৰিক উন্নয়নত নতুন গতি আনিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে অনুষ্ঠানত দিয়া ভাষণত এই হাইস্পীড কৰিড'ৰে বৰাক উপত্যকাৰ উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। কেইবা দশকজোৰা প্ৰতীক্ষাৰ অন্ত পেলাই এই কৰিড'ৰে মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ সৈতে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে আশা প্ৰকাশ কৰে। এই পদক্ষেপ অসমক দক্ষিণ-পূব এছিয়াৰ সৈতে যোগাযোগৰ উপযুক্ত মাধ্যম হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট (প্ৰধানমন্ত্ৰী)

শ্ৰীমোদীয়ে এই অনুষ্ঠানতে প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া শিলচৰ নগৰৰ বহু প্ৰতীক্ষিত উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। শিলচৰৰ অম্বিকাপুৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকী সাংসদ আৰু বিধায়ক উপস্থিত আছিল।

ইয়াৰ পূৰ্বে কালি ভ্ৰমণৰ প্ৰথম দিনা প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰত ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত তেওঁ ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাডপন কৰে। শ্ৰীমোদীয়ে এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তিৰ প্ৰায় ১৮ হাজাৰ ৬০০ কোটি টকা মুকলি কৰে। ইয়াৰ জৰিয়তে অসমৰ ১৮ লাখ ৫৯ হাজাৰ কৃষককে ধৰি দেশৰ ৯ কোটি ৩২ লাখ কৃষক উপকৃত হ'ব।

অসম ভ্ৰমণসূচী সামৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি পশ্চিম বংগলৈ ৰাওনা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব। মন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হ'ব। শ্ৰীশ্বাহে কাইলৈ ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত যুৱ শক্তি সমাৰোহত অংশগ্ৰহণ কৰিব। আজি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, বৈদেশিক পৰিক্ৰমা  ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতাই সমাৰোহৰ প্ৰস্তুতিৰ বুজ লয়। এই সন্দৰ্ভত শ্ৰীমাৰ্ঘেৰিটাই এইদৰে কয়-

বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)

মন্ত্ৰীগৰাকীয়ে কাইলৈ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট আৰু তিনিচুকীয়া কৰ্কট কেন্দ্ৰকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০

কছাৰ জিলাৰ শিলচৰৰ সমীপৰ শ্ৰীকোণাত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাক উপত্যকাৰ বাবে নিৰ্মিত অসম সচিবালয় উদ্বোধন কৰে। সচিবালয় উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ ওচৰলৈ চৰকাৰী ব্যৱস্থা লৈ যোৱাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰশাসনক অধিক বিকেন্দ্ৰীকৃত কৰাৰ মানসেৰে ক্ষমতা হস্তান্তৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট (চি এম)

মুখ্যমন্ত্ৰীয়ে আজি শিলচৰত বি এছ এফৰ জোৱানসকলক সাক্ষাৎ কৰি তেওঁলোকৰ নিষ্ঠা আৰু অক্লান্ত সেৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ সৈতে সুসমন্বয় ৰক্ষা কৰি বি এছ এফে অনুপ্ৰবেশৰ বিৰুদ্ধে কঠোৰ নিৰীক্ষণ অব্যাহত ৰাখিছে আৰু ৰাজ্যখনৰ সীমা, ভূমি আৰু পৰিচয়

সুৰক্ষিত ৰখাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ দৰগাকোণাৰ মিঠাপানীত ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নিৰ্মাণ কৰা সন্মিলন কক্ষ উদ্বোধন কৰে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পাণ্ডু বন্দৰৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এলিভেটেড কৰিড'ৰ পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভাৰ্চুৱেল ব্যৱস্থাৰে এই বিকল্প পথছোৱা মুকলি কৰিছিল। এহেজাৰ ৮০ মিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা নিৰ্মাণৰ ফলত অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থা উন্নত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অসমৰ লগতে উত্ত পূৰ্বাঞ্চলৰে জাহাজ চলাচলৰ ক্ষেত্ৰত সুবিধা হোৱাকৈ নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ব্ৰহ্মপুত্ৰ খননৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ জৰিয়তে যাত্ৰীৰ ভ্ৰমণ আৰু সামগ্ৰী সৰবৰাহত বিশেষভাৱে সুবিধা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট (সৰ্বানন্দ)

ooooo

ৰাজ্যৰ কেইবাখনো জিলাত আনুষ্ঠানিকভাৱে চাহ শ্ৰমিকসকলক ভূমি পট্টা প্ৰদান কৰা হয়। গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত জিলাখনৰ ১১ খন চাহ বাগিচাৰ দুহেজাৰ ৯৩১ টা পৰিয়ালক ভূমি পট্টা বিতৰণ কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ভূমি পট্টা বিতৰণ কাৰ্যসূচীত জনপ্ৰতিনিধিৰ লগতে জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। কৃষি মন্ত্ৰী অতুল বৰাই বোকাখাট চাহ বাগিচাৰ ২১০ টা পৰিয়ালক আৰু ৰঙামাটি চাহ বাগিচাৰ ৫১৬ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰে। বিধায়ক মৃণাল শইকীয়াই ৰঙাজান বাগিচাত চাহ শ্ৰমিকসকলক ভূমি পট্টা বিতৰণ কৰে। জিলা আয়ুক্ত পূবালী গোহাঁয়ে দয়াং চাহ বাগিচাত আয়োজিত ভূমি পট্টা বিতৰণ কাৰ্যসূচীত অংশ লয়।

বঙাইগাঁও জিলাৰ বীৰঝৰা চাহ বাগিচাৰ কৰ্মীসকলকো আজি ডিজিটেল ভূমি পট্টা প্ৰদান কৰা হয়। জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত বিধায়িকা দিপ্তীময়ী চৌধুৰীয়ে ২২২ গৰাকী হিতাধিকাৰীক ভূমিপট্টা বিতৰণ কৰে।

শোণিতপুৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিত আজি আনুষ্ঠানিকভাৱে ভূমি পট্টা বিতৰণ কৰা হয়। জিলাখনৰ ছয়খন চাহ বাগিচাৰ মুঠ দুহেজাৰ ৩৪৬ গৰাকী যোগ্য শ্ৰমিকক ভূমি পট্টা প্ৰদান কৰা হয়।

ooooo

মধ্যপ্ৰাচ্যত চলি থকা সংঘাতৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য সমস্যাসমূহৰ মোকাবিলা কৰিবলৈ কেইবাখনো জিলাত আজি প্ৰশাসনৰ বৈঠক অনুষ্ঠিত হয়। তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ এল পি জি বিতৰক সংস্থাৰ স্বত্বাধিকাৰী আৰু পৰিচালকসকলৰ মাজত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। সভাত যুদ্ধ সদৃশ পৰিৱেশৰ বাবে পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ মূল্যৰ ওপৰত পৰা প্ৰভাৱ সন্দৰ্ভত বিতংকৈ আলোচনা কৰা হয়। জিলাখনত ৰন্ধন গেছ, প্ৰাকৃতিক গেছ আৰু অন্যান্য পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ লভ্যতা, বিক্ৰী, বিতৰণ আৰু পৰিবহন ব্যৱস্থা সুচাৰুৰূপে চলাই নিবলৈ নিৰ্দেশ দিয়া হয়। জিলা প্ৰশাসনে বিতৰকসকলক ইন্ধনৰ পৰ্যাপ্ত ভাণ্ডাৰ মজুত ৰাখিবলৈ আহ্বান জনায়। জনসাধাৰণে অহেতুক শংকিত হৈ প্ৰয়োজনতকৈ অধিক চিলিণ্ডাৰ যাতে জমা কৰি নাৰাখে সেই সম্পৰ্কেও বৈঠকত জিলা প্ৰশাসনে পৰামৰ্শ আগবঢ়ায়। দৰং জিলাত ৰন্ধন গেছৰ কোনো ধৰণৰ নাটনি হোৱা নাই বুলি জিলাখনৰ জনসংযোগ বিভাগে আজি বিজ্ঞপ্তি

যোগে প্ৰকাশ কৰিছে। গ্ৰাহকৰ বাবে ঘৰুৱা আৰু বাণিজ্যিক দুয়োধৰণৰ ৰন্ধন গেছৰ চিলিণ্ডাৰ পৰ্যপ্ত পৰিমাণে মজুত আছে বুলি বিজ্ঞপিত জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। ৰন্ধন গেছকে ধৰি অত্যাৱশ্যকীয় পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ যোগান নিশ্চিত কৰাৰ লক্ষ্যৰে জিলাখনৰ প্ৰশাসনে বিশেষ পদক্ষেপো গ্ৰহণ কৰিছে। ৰন্ধন গেছৰ চিলিণ্ডাৰ আৰু অন্যান্য পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ মজুত, যোগান, পৰিবহণ আৰু বিতৰণ ওপৰত কঠোৰ দৃষ্টি ৰাখিবলৈ প্ৰশাসনে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে।

০০০০০

ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত হ'বলগীয়া **লুইতৰ পৰা মিছিছিপিলৈ** শীৰ্ষক এই সংগীতানুষ্ঠান গধূলি ৬ বজাত আৰম্ভ হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যৰ ভালেসংখ্যক প্ৰবীন আৰু নবীন শিল্পীয়ে গীত পৰিবেশন কৰিব।

০০০০০

অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকলক লৈ গঠিত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কাইলৈ ধেমাজিত উদযাপন কৰা হ'ব। ধেমাজিৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয় চৌহদত আয়োজন কৰা দিনজোৰা কাৰ্যসূচীত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ সহকাৰী সঞ্চালক কাৰ্তিক সূত্ৰধৰক অনুপ্ৰেৰণা বঁটা, অনুষ্ঠান কাৰ্যবাহী বিষয়া ঋতুপৰ্ন দাসক নাট্য প্ৰভাকৰ বঁটা, বিনীতা ডেকাক শ্ৰেষ্ঠ ঘোষিকা বঁটা, বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকা আৰু পৰিস্মিতা দিহিঙীয়াক শ্ৰেষ্ঠ বাতৰি পৰিৱেশিকা বঁটা প্ৰদান কৰা হ'ব। ডিব্ৰুগড কেন্দ্ৰৰ বিন্দু ৰাজখোৱা, গোপা হাজৰিকা, যোৰহাট  কেন্দ্ৰৰ গায়ত্ৰী দেৱী, মৃণালী দত্ত শইকীয়া, পূৰৱী ভট্টাচাৰ্য আৰু তেজপুৰ কেন্দ্ৰৰ ত্ৰৈলোক্য বৰা, ৰূপালী বৰাক জনপ্ৰিয় ঘোষক-ঘোষিকা বঁটা আগবঢ়োৱা হ'ব।  এই একেটা অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ টিয়কৰ কণ্ঠশিল্পী ৰুণু বৰগোহাঁইক সংগীত শিল্পী বঁটা, জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক যুৱ সাংবাদিকতা বঁটা আৰু জাঁজীৰ প্ৰণৱ কুমাৰ দত্তক শ্ৰেষ্ঠ শ্ৰোতা অনুৰাগী বঁটা, টিয়ক জগদুৱাৰৰ মানস জ্যোতি কটকী আৰু ধেমাজী মাছখোৱাৰ অনুপমা শইকীয়াক শ্ৰোতা অনুৰাগী বঁটা প্ৰদান কৰা হ'ব। মাছখোৱাৰ সংবাদদাতা বীৰেণ কোঁৱৰ আৰু মিণ্টু শইকীয়া, শিৱসাগৰ চাৰিঙৰ পদ্মলোচন খনিকৰক, গৌৰীসাগৰৰ সংবাদদাতা মৃগাংক হাজৰিকাক উৎকৃষ্ট সাংবাদিকিতা বঁটা প্ৰদান কৰা হ'ব।  তদুপৰি আকাশবাণী ডিব্ৰুগড়ৰ তৌফিকা উল্লাহ আৰু ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী জিণ্টু চেতীয়াক প্ৰযোজক বঁটা প্ৰদান কৰিব বুলি সংস্থাটোৰ সভাপতি, সম্পাদকে জানিবলৈ দিয়ে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীৰ ঘোষণা আৰু নিৰ্বাচনী প্ৰচাৰকে ধৰি বিভিন্ন প্ৰস্তুতি অব্যাহত ৰাখিছে। বিজেপিয়ে অহা ১৮ মাৰ্চত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া আটাইকেইটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰত প্ৰকাশ কৰে। আসন বুজাবুজি সন্দৰ্ভত আজি গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে আলোচনাৰ পাছত কাইলৈ ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইপিনে, কংগ্ৰেছ দলে ৪২গৰাকী

প্ৰাৰ্থীৰ, ৰাইজৰ দলে ১১গৰাকী প্ৰাৰ্থী আৰু এ আই ইউ ডি এফ দলে ৯গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে।

ইপিনে, নিৰ্বাচনী প্ৰস্তুতিৰ মাজতি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ যোগদান প্ৰক্ৰিয়া চলি আছে। এবছুৰ সভাপতি দ্বিপেন বড়োৱে আজি ওদালগুৰিত ইউ পি পি এল দলত যোগ দিয়ে। দলৰ সভাপতি প্ৰমোদ বড়োৱে তেওঁক দলটোলৈ আদৰণি জনায়।

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। বাক্সা জিলা প্ৰশানে কালিৰে পৰা পোলিং বিষয়াৰ প্ৰশিক্ষণৰ আয়োজন কৰিছে। আজি জিলাখনৰ ৫৫৭গৰাকী পোলিং বিষয়াক প্ৰশিক্ষণ দিয়া হয়। পৰৱৰ্তী সময়ত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হ'ব বুলি জিলা আয়ুক্ত ধীৰাজ সাউদে প্ৰকাশ কৰে। উল্লেখযোগ্য যে জিলাখনত মুঠ ৫০২ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

একেদৰে দক্ষিণ শালমাৰা-মানকাচৰ জিলা প্ৰশাসনেও কালিৰে পৰা ১৬ মাৰ্চলৈকে পোলিং বিষয়াৰ প্ৰশিক্ষণৰ আয়োজন কৰিছে। আজি হাটশিঙিমাৰি মহাবিদ্যালয় আৰু হাটশিঙিমাৰি ছিনিয়ৰ ছেকেণ্ডাৰি স্কুলত ৪৮৮ গৰাকী পোলিং বিষয়াক প্ৰশিক্ষণ দিয়া হয়। জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তা আৰু অতিৰিক্ত আয়ুক্ত কুমাৰ গৌৰব দাস এই কাৰ্যসূচীত উপস্থিত থাকে।

দৰং জিলা প্ৰশাসনে মঙলদৈ মহাবিদ্যালয় আৰু মঙলদৈ বাণিজ্য মহাবিদ্যালয়ত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই কাৰ্যসূচীত প্ৰায় দুহেজাৰ লোকক প্ৰশিক্ষণ দিয়া হয়।

ooooo

জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত অসম আৰক্ষীৰ এছ টি এফ আৰু বৰপেটা আৰক্ষীয়ে যৌথ অভিযান চলাই বৰপেটা ৰোডৰ পৰা এজন লোকক আটক কৰে। আটকাধীন যুৱকজনৰ নাম মুস্তাফিজুৰ ৰহমান বুলি জানিব পৰা গৈছে। ধৃত যুৱকজনৰ পৰা অভিযানকাৰী দলে কেইবাখনো আপত্তিজনক ৰচিদ, কিতাপ আৰু ছিমকাৰ্ড উদ্ধাৰ কৰিছে। উল্লেখযোগ্য যে যোৱা ১০ মাৰ্চত জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত সৰভোগৰ পৰা এজন লোকক এছ টি এফে গ্ৰেপ্তাৰ কৰিছে।

ooooo

প্ৰাগজ্যোতিষপুৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক বৰ্ণালী দাসে মানস ৰাষ্ট্ৰীয় উদ্যানত আৱিস্কাৰ কৰা এবিধ অপৰিচিত উদ্ভিদৰ নাম জুবিন গাৰ্গৰ নামেৰে নামকৰণ কৰিছে। কিংবদন্তি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ফুটুকলা গোত্ৰৰ এই অপৰিচিত উদ্ভিদ বিধক **অছবেকীয়া জুবিন গাৰ্গিয়ানা** নামেৰে নামকৰণ কৰা হৈছে। উল্লেখযোগ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা নমিতা নাথৰ অধীনত বৰ্ণালী দাসে কৰা পি এইছ ডি গৱেষণাত মানস ৰাষ্ট্ৰীয় উদ্যানৰ পৰা উদ্ভিদ বিধ আৱিস্কাৰ কৰিছিল। ইতিমধ্যে এই নতুন উদ্ভিদ প্ৰজাতিৰ আৱিস্কাৰৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন জাৰ্নেলত প্ৰকাশ পাইছে। গৱেষক বৰ্ণালী দাসে আজি উদ্ভিদ প্ৰজাতিৰ স্বীকৃতিপত্ৰ গৰীমা শইকীয়া গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নি পামি বৰঠাকুৰৰ হাতত প্ৰদান কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু

পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব। আলোচনাৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০

এফ আই এইচ হকী মহিলা বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত কালি হায়দৰাবাদৰ বালাযোগী হকী গ্ৰাউণ্ডত অনুষ্ঠিত ছেমি ফাইনেলত ইটালীক ১-০ গ'লত পৰাস্ত কৰি ভাৰতে ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ লগে লগে হকী বিশ্বকাপত ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰে। ভাৰতৰ মনীষা চৌহানে খেলখনৰ ৪০ মিনিটত একমাত্ৰ গ'ল দি দলক জয়ৰ সোৱাদ দিয়ে।

০০০০০

সমাপ্ত